# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-08-2026
**Time :** 9-25 PM

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

নেপাল-তিববতৰ জলপ্ৰলয়ত ছগৰাকী অসমীয়া লোক সন্ধানহীন হোৱাৰ বাতৰি পোৱা গৈছে যদিও সন্ধানহীন লোকৰ সংখ্যা বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে। আমিনগাঁৱত নৱনিৰ্মিত আন্তঃৰাষ্ট্ৰীয় ছুইমিং পুলৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে।

এই বিধবংসী বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৫৪৭ লৈ বৃদ্ধি পাইছে। বানৰ পাছৰে পৰা দেশ দুখনৰ সীমান্তৰ দুয়োপাৰে এহেজাৰ ৫৪৫ গৰাকী লোক সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী দলে নৈৰ পাৰ আৰু যোগাযোগ বিচ্ছিন্ন হৈ পৰা বস্তি এলেকাসমূহত অভিযান চলাই আছে। ইপিনে, ভোটেকোশী নৈৰ উৎপত্তিস্থলৰ সমীপত নতুনকৈ হ্ৰদৰ সৃষ্টি হোৱাক লৈ উত্তেজনাই বিৰাজ কৰিছে। এই হ্ৰদৰ পাৰ ভাঙি প্ৰৱল সোঁতেৰে পুনৰ পানীৰ ঢল নামি আহিলে পৰিস্থিতি অধিক ভয়াৱহ হোৱাৰ লগতে উদ্ধাৰ অভিযান ব্যাহত হোৱাৰ আশংকা কৰা হৈছে। নেপালৰ সুৰক্ষা বাহিনীয়ে বৰ্তমানলৈকে প্ৰভাৱিত এলেকাৰ পৰা ৮০০ ৰো অধিক লোকক উদ্ধাৰ কৰিছে।

ভাৰতেও উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা মতে, ৩২০ গৰাকী ভাৰতীয় লোকৰ সৈতে এতিয়াও কোনোধৰণৰ যোগাযোগ কৰিব হোৱা নাই। নতুন দিল্লীত সংবাদ মাধ্যমক সম্বোধি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে প্ৰায় ১০০ ভাৰতীয় মূলৰ, আন দেশৰ নাগৰিকৰ সৈতেও কোনোধৰণৰ যোগাযোগ সম্ভৱ হোৱা নাই। ইপিনে চীনৰ দিশে আৱদ্ধ হৈ থকা আন ৯৬ গৰাকী ভাৰতীয় নাগৰিকে নিৰাপদে নেপালত প্ৰৱেশ কৰিবলৈ সমৰ্থ হৈছে। তেওঁলোকক উদ্ধাৰৰ বাবে প্ৰচেষ্টা চলাই থকা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

ভাৰতে বৰ্তমানলৈকে ত্ৰিশূলী জলবিদ্যুৎ প্ৰকল্পত কৰ্মৰত ৬৩ জন শ্ৰমিক আৰু তামিলনাডুৰ ২১ জন লোকসহ মুঠ ৮৪ জন ভাৰতীয় লোকক উদ্ধাৰ কৰিছে। বিদেশ মন্ত্ৰালয়ে লগতে নিখোজ হৈ থকা লোকসকলক বিচাৰি উলিওৱাৰ বাবে আৰু উদ্ধাৰ অভিযানত সহায় কৰাৰ উদ্দেশ্যে অহৰ্নিশে খোলা থকা এটা নিয়ন্ত্ৰণ কক্ষ মুকলি কৰিছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি আমিনগাঁৱৰ সাঁতোৰ প্ৰকল্পত, ৰাষ্ট্ৰীয় সাঁতোৰ উৎকৰ্ষ কেন্দ্ৰ উদ্বোধন কৰে। অত্যাধুনিক সুবিধাযুক্ত এই কেন্দ্ৰটো উদ্বোধন কৰি ড০ শৰ্মাই ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ প্ৰাকক্ষণত এই ছুইমিং পুলটো খেলুৱৈসকলৰ বাবে উৎসৰ্গা কৰি আনন্দ প্ৰকাশ কৰে। কিছুদিনৰ ভিতৰতে আমিনগাঁৱত এখন ক্ৰিকেট ষ্টেডিয়ামৰ নিৰ্মাণো সম্পূৰ্ণ হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্য চৰকাৰে ৩০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা এই ষ্টেডিয়ামখন ২০২৭ চনত মুকলি কৰা হ'ব। অঞ্চলটোত ক্ৰীড়াৰ ক্ষেত্ৰত সকলো

ধৰণৰ সুবিধা উপলব্ধ কৰাব পৰাকৈ যাৱতীয় ব্যৱস্থা লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে খেলুৱৈ আৰু প্ৰশিক্ষকসকলৰ থকাৰ সুবিধাৰ্থে হোষ্টেলৰ ব্যৱস্থা কৰা হৈছে বুলিও জানিবলৈ দিয়ে। অনুষ্ঠানত ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী আৰু সাংসদ বিজুলী কলিতা মেধি উপস্থিতি থাকে।

ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ অধীনৰ এই কেন্দ্ৰটো এহেজাৰ ৩০৯ খন আসনবিশিষ্ট দৰ্শক গেলাৰীৰে সমৃদ্ধ। প্ৰকল্পটোত ৫০ মিটাৰ দৈৰ্ঘ্যৰ ৯টা লেনযুক্ত মূল প্ৰতিযোগিতামূলক পুল আৰু ৫ মিটাৰ গভীৰতাৰ ড্ৰাইভিং পুল অন্তৰ্ভুক্ত হৈ আছে। কেন্দ্ৰটোত ৩০ গৰাকী এথলীটৰ প্ৰশিক্ষণৰ সুবিধা থাকিব।

০০০০০০০

ৰাজ্যৰ পৰিবহণ বিভাগৰ এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা আজি অনুষ্ঠিত হয়। অধিক ৰাজহ সংগ্ৰহৰ উদ্দেশ্যে পৰিবহণ মন্ত্ৰী চৰণ বড়োৰ অধ্যক্ষতাত ওদালগুৰি জিলা আয়ুক্তৰ কাৰ্যালয়ত এই পৰ্যালোচনা সভা অনুষ্ঠিত হয়। পৰিবহণ বিভাগৰ আয়ুক্ত, সচিবসহ অন্যান্য বিষয়াসকলৰ লগতে বিটিচিৰ পাঁচখন জিলাৰ পৰিবহণ বিষয়াসকলে প্ৰত্যক্ষভাৱে আৰু ৰাজ্যৰ আন জিলাৰ পৰিবহণ বিষয়াসকলে ভাৰ্চুৱেলী সভাত অংশগ্ৰহণ কৰে। পথ সুৰক্ষা আৰু ৰাজহ সংগ্ৰহৰ লগতে আন বিভিন্ন বিষয়ত সভাত পৰ্যালোচনা কৰা হয়। ৰাজ্য চৰকাৰে ২০২৬-২৭ বিত্তীয় বৰ্ষত দুহেজাৰ ১০০ কোটি টকা ৰাজহ সংগ্ৰহৰ লক্ষ্য ধাৰ্য কৰি দিয়াৰ উপৰি পৰিবহণ বিভাগে দুহেজাৰ ৫০০ কোটি টকা ৰাজহ সংগ্ৰহৰ লক্ষ্য লোৱা বুলি মন্ত্ৰী চৰণ বড়োৱে প্ৰকাশ কৰে।

০০০০০০০

৪২'ৰ ভাৰত ত্যাগ আন্দোলনৰ মৰিগাঁৱৰ বীৰ ছহিদ তিলক ডেকাক আজি জন্মস্থান চৰাইবাহীত ৰাজহুৱাভাৱে স্মৰণ কৰা হয়। চৰাইবাহী শাখা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত কাৰ্যসূচীৰ অংশ হিচাপে তেতেলীতল তিনিআলিত থকা বীৰ ছহিদগৰাকীৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰা হয়। মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড০ হৰমোহন কলিতাই এই উপলক্ষে আয়োজিত সভা উদ্বোধন কৰে। মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে অনুষ্ঠানত দিয়া ভাষণত ছহিদগৰাকীৰ জীৱনগাঁথা সন্দৰ্ভত আলোকপাত কৰে। উল্লেখযোগ্য যে ৪২'ৰ আন্দোলনৰ আজিৰ দিনটোতে মৰিগাঁও আৰু নগাঁও জিলাৰ সীমামূৰীয়া বাৰপূজীয়াত নিশাৰ ভাগত পহৰা দি থকা অৱস্থাত ব্ৰিটিছ সেনাক আগভেটি ধৰিবলৈ গৈ চৰাইবাহীৰ তিলক ডেকা ব্ৰিটিছ সেনাৰ গুলীত ছহিদ হৈছিল।

০০০০০০০

কোকৰাঝাৰ আৰক্ষীয়ে যৌন আতিশায্যৰ পৰা শিশুক সুৰক্ষিত কৰি ৰখা পকছ' আইনৰ অধীনত দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। এজন নাবালকক যৌন আতিশায্য চলোৱাৰ অভিযোগত আৰ এন বি হাস্পতালৰ সমীপৰ ব্লু ডায়মণ্ড হোটেল আৰু ৰেষ্টুৰেণ্টৰ স্বত্বাধিকাৰী ক্ষিৰোধ ৰয় আৰু অজয় ৰাজধৰক গ্ৰেপ্তাৰ কৰা হয়।

০০০০০০০

ঃঃ সমাপ্ত ঃঃ